**অসম বিধান সভা**
**লিখিত প্ৰশ্ন নং- ৫৩০**
**উত্তৰ দিয়াৰ তাৰিখ-২৪/০৭/২০২৬**

বিষয়: স্বাস্থ্য খণ্ডত খালী পদ সমূহ পূৰণ কৰাৰ বাবে ।

শ্ৰী পবিত্ৰ ৰাভা, মাননীয় বিধায়ক।

মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

অসমৰ স্বাস্থ্য খণ্ডত খালী হৈ থকা পদ সমূহ পূৰণ কৰাৰ বাবে চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, তেন্তে ইয়াৰ বিৰৰণ সদনত দাখিল কৰিব ।

**-উত্তৰ-**

মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত অশোক সিংহল মহোদয়ে উত্তৰ দিব -

অসমৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অধীনত খালী হৈ থকা পদসমূহ বিভাগীয় অনুমোদন সাপেক্ষে আৰু পদ খালী হোৱাৰ লগে লগে সময়ে সময়ে পূৰণ কৰি অহা হৈছে। আগন্তুক দিনতো প্ৰয়োজনীয়তা, উপলব্ধ খালী পদৰ ভিত্তিত বিভাগীয় অনুমোদন সাপেক্ষে খালী পদসমূহ পৰ্যায়ক্ৰমে পূৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সংকল্প পত্ৰত ঘোষণা কৰা ২ (দুই) লাখ নিযুক্তিৰ প্ৰাৰম্ভিক পৰ্য্যায়ত অসম চৰকাৰৰ কৰ্মচাৰী বিভাগে অধিসূচনা নং ABP-790175/4 Dated 19.05.2026 যোগে অসম চৰকাৰৰ মুখ্য সচিব মহোদয়ৰ অধ্যক্ষতাত Task Force for creation of 2 lakh Government Jobs in Assam নামেৰে এখনি ১১ (এঘাৰ) জনীয়া সমিতি গঠন কৰিছে।

পৰৱৰ্তী সময়ত এই সমিতিৰ অনুমোদন সাপেক্ষে খালী থকা পদসমূহত নিযুক্তি ৰ বাবে বিভাগীয় সিদ্ধান্ত লোৱাৰ সম্ভাৱনা আছে।

---ooo---

**বিঃ দ্ৰঃ -ওপৰোক্ত উত্তৰ ইতিমধ্যে NeVA Portal ত আপলোড কৰা হৈছে।**